# প্ৰয়োজনীয় তথ্য ঃ

## মহিলাৰ বিৰুদ্ধে যৌন অপৰাধ আৰু আৰক্ষীৰ ভূমিকা

যৌন অপৰাধ হৈছে এগৰাকী মহিলাৰ সন্মতি অবিহনে কৰা বা সংঘটিত হোৱা যিকোনো ব্যৱহাৰ, কাৰ্য বা ঘটনা, যি মহিলা গৰাকীৰ শাৰীৰিক অধিকাৰ উলংঘন কৰে। যদিহে আপুনি এনে ব্যৱহাৰৰ ভুক্তভোগী, তেনেহ'লে আইনে এইক্ষেত্ৰত কি ব্যৱস্থা প্ৰদান কৰিছে আৰু আৰক্ষীয়ে আপোনাৰ অভিযোগ গ্ৰহণ কৰোতে কেনেধৰণৰ প্ৰক্ৰিয়া মানি চলিব লাগে ইত্যাদি কথাবোৰ আপুনি জনাটো প্ৰয়োজনীয়। এই পত্ৰিকা খনে উক্ত বিষয়সমূহত কিছু দৰকাৰী তথ্য প্ৰদান কৰিছে।

### যৌন অপৰাধৰ ওপৰত আইনে কি কয়?

২০১৩ চনৰ আগলৈকে ধৰ্ষণৰ উপৰি, আইনে অন্য যৌন অপৰাধৰ ভিতৰত কেৱল 'মহিলাৰ শ্লীলতা হানিকহে নিষেধ কৰিছে। ভাৰতবৰ্ষই ফৌজদাৰী আইন (সংশোধন) ২০১৩ চনত প্ৰণয়ন কৰি যৌন অপৰাধৰ ক্ষেত্ৰত ভাৰতীয় দণ্ডবিধিত বিভিন্ন পৰিৱৰ্তন ঘটাই। অন্য বিষয়বোৰৰ মাজত, এই আইনে ধৰ্ষণৰ বহল সংজ্ঞা প্ৰদান কৰিছিল আৰু অন্য যৌন অপৰাধবোৰকো নিৰ্দ্ধাৰণ কৰিছিল।

### ধৰ্ষণৰ অপৰাধ কেতিয়া সংঘটিত হয়?

২০১৩ চনৰ আইনত বিভিন্ন পৰিৱৰ্তনৰ লগতে, এতিয়া গৰাকী মহিলাৰ সন্মতি অবিহনে যদি এজন পুৰুষে—

- তাৰ লিংগ, তাইৰ যৌনাংগত, মুখত, মুত্ৰমাৰ্গত বা মলদ্বাৰত প্ৰৱেশ ঘটায়।
- যিকোনো বস্তু বা শৰীৰৰ অংগ তাইৰ যৌনাংগত, মুত্ৰমাৰ্গত বা মলদ্বাৰত প্ৰৱেশ ঘটায়।
- তাৰ মুখ তাইৰ যৌনাংগত, মুত্ৰমাৰ্গত বা মলদ্বাৰত প্ৰয়োগ কৰে।
- তাৰ শৰীৰৰ এক অংগ তাইৰ যৌনাংগত, মুত্ৰমাৰ্গত বা মলদ্বাৰত প্ৰৱেশ ঘটোৱাবলৈ বাধ্য কৰায়।
- ওপৰৰ যিকোনো এটা কাৰ্য তাৰ লগত বা অন্য যিকোনো ব্যক্তিৰ লগত কৰিবলৈ বাধ্য কৰোৱায়। তেন্তে ধৰ্ষণ বুলি ধৰা হয়। [ভাৰতীয় দণ্ডবিধি আইন, ধাৰা ৩৭৫]

ফৌজাদাৰী সংশোধন আইন ২০১৩ (Criminal Law Amendment Act) য়ে দলবদ্ধ ধৰ্ষণক অপৰাধকৰণ কৰিছে। যদি এজন বা ততোধিক ব্যক্তিৰ দলে এগৰাকী মহিলাক ধৰ্ষণ বা ধৰ্ষণৰ উদ্দেশ্যেৰে চেষ্টা চলাই, তেন্তে দলটোৰ প্ৰতিজন ব্যক্তিকে ধৰ্ষণৰ অপৰাধ কৰিছে বুলি বিবেচনা কৰা হ'ব। [ধাৰা ৩৭৬ (ঘ) ভাৰতীয় দণ্ডবিধি আইন]

ফৌজদাৰী আইনৰ অধীনত ধৰ্ষণ এক অধৰ্তব্য অপৰাধ অৰ্থাৎ ধৰ্ষণ সংঘটিত হোৱাৰ খবৰ পোৱাৰ মাত্ৰকে অনুসন্ধান আৰম্ভ কৰিব পৰাকৈ আৰক্ষীক কৰ্তৃত্ব প্ৰদান কৰা হৈছে। যাৰ বাবে আৰক্ষীক আদালতৰ নিৰ্দেশৰ প্ৰয়োজন নহয়। আৰক্ষীয়ে ৱাৰেন্ট অবিহনেও গ্ৰেপ্তাৰ কৰিব পাৰে।

### আইনত সন্মতিৰ সংজ্ঞা কেনেদৰে দিয়া হৈছে—

আইন অনুসৰি সন্মতি মানে হ'ল যেতিয়া এগৰাকী মহিলাই স্ব-ইচ্ছাই যৌন কাৰ্যত অংশগ্ৰহণৰ বাবে সন্মত হয় তেনেক্ষেত্ৰত সন্মতি

- ইচ্ছাকৃত হ'ব লাগিব
- মহিলাগৰাকীয়ে শব্দ বা ইংগিতেৰে স্পষ্টকৈ প্ৰকাশ কৰিব লাগিব।
- সম্পুৰ্ণ সুস্থ মানসিক অৱস্থাত প্ৰদান কৰিব লাগিব
- ভয়, ভাবুকি, বল প্ৰয়োগ বা প্ৰবঞ্চনাৰ অবিহনে প্ৰদান কৰিব লাগিব
- যৌন কাৰ্যত মহিলাগৰাকীয়ে বাধাপ্ৰদান কৰা নাছিল বুলি আদালতত প্ৰমাণ হ'লেও ইয়াক সন্মতি প্ৰদান কৰা বুলি ধৰা নহ'ব।

ভাৰতবৰ্ষত সন্মতিপ্ৰদানৰ ক্ষেত্ৰত আইনে নিৰ্ধাৰণ কৰা বয়স ১৮ বছৰ। ১৮ বছৰ তলৰ মহিলাৰ লগত যিকোনো যৌন কাৰ্য সংঘটিত কৰিলে আইনত ধৰ্ষণ বুলি ধৰা হয়। তেনেক্ষেত্ৰত মহিলাগৰাকীয়ে সন্মতি প্ৰদান কৰা বা নকৰাটো বিচাৰ্যৰ বিষয় নহয়। যদি আদালতত যৌন সম্পৰ্ক হোৱা বুলি প্ৰমাণ হৈছে আৰু ভুক্তভোগীয়ে সন্মতিপ্ৰদান কৰা নাছিল বুলি মন্তব্য দিয়ে তেন্তে আদালতে সন্মতি প্ৰদান কৰা নাছিল বুলিয়েই ধৰি লয়।

## ধৰ্ষণৰ বা অন্য যৌন অপৰাধৰ ক্ষেত্ৰত স্বাস্থ্য পৰীক্ষাৰ বাবে কেনেধৰণৰ প্ৰক্ৰিয়া আছে?

ফৌজাদাৰী আইনৰ বিধি অনুসৰি,

- ধৰ্ষণ সংঘটিত হোৱাৰ খবৰ পোৱা মাত্ৰকেই আৰক্ষীয়ে ভুক্তভোগীক ২৪ ঘণ্টাৰ ভিতৰত পঞ্জীয়নভুক্ত চিকিৎসকৰ ওচৰলৈ নিব লাগিব।
- ভুক্তভোগী বা তেওঁক কোনো অভিভাৱকৰ সন্মতি সাপেক্ষেহে স্বাস্থ্য পৰীক্ষা কৰিব লাগিব।
- আইনৰ নিৰ্দেশ মতে, চৰকাৰী বা ব্যাক্তিগত সকলো চিকিৎসালয়তে ধৰ্ষণৰ ভুক্তভোগীক ততালিকে প্ৰাথমিক চিকিৎসা সেৱা বিনামূলীয়াকৈ প্ৰদান কৰিব লাগে।
- যদিহে কোনো চিকিৎসালয়ে ভুক্তভোগীক উল্লিখিত সেৱা প্ৰদান কৰিবলৈ অমান্তি হয়, তেনেহ'লে সেই চিকিৎসালয়ৰ দায়িত্বত থকা ব্যক্তিৰ এবছৰ বা ততোধিক কাৰাদণ্ড হ'ব পাৰে।

## ধৰ্ষণৰ বাবে কি শাস্তি আছে?

- এতিয়া ধৰ্ষণৰ শাস্তি নূন্যতম ৭ বছৰ কাৰাদণ্ড আৰু সৰ্বাধিক যাৱজ্জীৱন কাৰাদণ্ড আৰু জৰিমনা।
- অতি গুৰুতৰ পৰিস্থিতিত যেনে - য'ত অপৰাধী এজন আৰক্ষী বিষয়া, বা চৰকাৰী কৰ্মচাৰী হয় তেন্তে শাস্তি অতি কঠোৰ হ'ব। উদাহৰণস্বৰূপে যেতিয়া এজন আৰক্ষী বিষয়াই বা চৰকাৰী কৰ্মচাৰীয়ে তেওঁৰ জিম্মাত এগৰাকী মহিলাক ধৰ্ষণ কৰে, তেন্তে শাস্তি ১০ বছৰ কাৰাদণ্ডৰ পৰা যাৱজ্জীৱন কাৰাদণ্ড পৰ্যন্ত হ'ব। এজন ব্যক্তিয়ে যদি ধৰ্ষণৰ সময়ছোৱাত মহিলাগৰাকীৰ মৃত্যু ঘটাই বা মুমুৰ্ষ অৱস্থাত এৰে তেন্তে শাস্তি ২০ বছৰৰ পৰা যাৱজ্জীৱন কাৰাদণ্ড পৰ্যন্ত হ'ব পাৰে বা মৃত্যুদণ্ডৰেও দণ্ডিত হ'ব পাৰে।
- যিকোনো কতৃত্বাধীন ব্যক্তি যেনে এজন চৰকাৰী কৰ্মচাৰী বা মহিলা / শিশু অনুষ্ঠান / চিকিৎসালয়ৰ পৰিচালক আদিৰ অধীনত বা আৱাসত থকা এগৰাকী মহিলাক যদিহে তেওঁৰ লগত যৌন সংগমত লিপ্ত হ'বলৈ প্ৰলোভিত কৰোৱাই সি ধৰ্ষণ নহ'বও পাৰে, তেনে অপৰাধৰ শাস্তি ৫-১০ বছৰ পৰ্যন্ত কাৰাদণ্ড হ'ব পাৰে।

## বৈবাহিক ধৰ্ষণৰ বিষয়ে আইনে কি কয়?

ভাৰতীয় দণ্ডবিধিৰ অধীনত এজন পুৰুষে নিজৰ পত্নীৰ সৈতে যৌন সংগমত লিপ্ত হ'লে সেইয়া ধৰ্ষণ বুলি ধৰা নহয়, যদিও তাইৰ সন্মতি নাথাকে। যদি আপুনি আপোনাৰ স্বামীৰ পৰা আইনগতভাৱে পৃথকে বাস কৰে তেতিয়া যদি তেওঁ আপোনাৰ সন্মতি অবিহনে যৌন সংগমত লিপ্ত হয় তেন্তে তেওঁক দণ্ডিত কৰিব পাৰে। তেনে ক্ষেত্ৰত ২ বছৰৰ পৰা ৭ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু জৰিমনাৰে দণ্ডিত হ'ব (ধাৰা ৩৭৬ (খ))।

যদি আপোনাৰ স্বামীয়ে আপোনাক ধৰ্ষণ কৰিছে, আপুনি গাৰ্হস্থ্য হিংসা প্ৰতিৰোধী আইন ২০০৫ ৰ অধীনত সুৰক্ষা নিৰ্দেশ বিচাৰি আবেদন জনাব পাৰে। এই আইনৰ অধীনত যৌন প্ৰকৃতিৰ যিকোনো ধৰণৰ উৎপীড়ন, অপমান, স্খলন বা অন্য ধৰণে যদি নাৰীৰ মৰ্যাদাক আঘাত কৰে, তেনে ব্যৱহাৰক যৌন নিৰ্যাতন বুলি ধৰা হয় (গাৰ্হস্থ্যহিংসা আইনৰ ধাৰা ৩)।

## অন্য কি কি যৌন অপৰাধ আছে?

এতিয়া ভাৰতীয় দণ্ডবিধিয়ে বহু ধৰণৰ অন্য যৌন অপৰাধক সাঙুৰি লৈছে। যৌন নিৰ্যাতন, বলপূৰ্বকভাৱে উলংগ কৰা, দৰ্শনৰতি অনুসৰণ কৰা আদি অপৰাধসমূহক তলৰ তালিকাখনত উল্লেখ কৰা হৈছে।

| অপৰাধ | ভাৰতীয় দণ্ডবিধি ধাৰা | শাস্তি |
|---|---|---|
| ক। অবাঞ্চনীয় শাৰীৰিক যোগাযোগ বা প্ৰস্তাৱৰ<br>খ। যৌন অনুগ্ৰহৰ বাবে দাবীৰ<br>গ। যৌনগন্ধী ছবি প্ৰদৰ্শনৰ<br>ঘ। যৌনৰঞ্জিত মন্তব্যৰ যোগেদি যদি এজন পুৰুষে যৌন উৎপীড়ন চলাই | ৩৫৪ ক | (ক), (খ), (গ) ৰ বাবে তিনিবছৰ পৰ্যন্ত কাৰাদণ্ড, জৰিমনা বা দুয়োটা<br>(ঘ) ৰ বাবে একবছৰ পৰ্যন্ত কাৰাদণ্ড, জৰিমনা বা দুয়োটা |

| | | |
|---|---|---|
| বলপূৰ্বকভাৱে উলংগ কৰা — এজন পুৰুষে এগৰাকী মহিলাৰ কাপোৰ খোলা উদ্দেশ্যৰে বল প্ৰয়োগ কৰে | ৩৫৪ খ | ৩ ৰ পৰা ৭ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু জৰিমনা। |
| দৰ্শনৰতিঃ (Voyeurism) যদি এজন পুৰুষে মহিলাৰ গোপন কাৰ্যৰ প্ৰত্যক্ষ কৰে, ফটো তোলে বা সেই ফটোৰ প্ৰচাৰ কৰে। | ৩৫৪ গ | প্ৰথম শাস্তিত ১ ৰ পৰা ৩ বছৰ পৰ্যন্ত কাৰাদণ্ড, জৰিমনা । পৰৱৰ্তী শাস্তিত ৩ ৰ পৰা ৭ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু জৰিমনা। |
| অনুসৰণ কৰাঃ এজন পুৰুষে (ক) এগৰাকী মহিলাই স্পষ্টকৈ অনীহা প্ৰকাশ কৰা সত্বেও তাইক অনুসৰণ বা যোগাযোগৰ চেষ্টা চলায়। (খ) মহিলাগৰাকীয়ে ব্যৱহাৰ কৰা ইন্টাৰনেট, ই-মেইল বা অন্য বৈদ্যুতিন যোগাযোগবোৰৰ নিৰীক্ষণ কৰে | ৩৫৪ ঘ | প্ৰথম শাস্তিত ৩ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু জৰিমনা । পৰৱৰ্তী শাস্তিত ৫ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু জৰিমনা। |

## যৌন অপৰাধৰ বিষয়ে আৰক্ষীক কেনেকৈ জনাব ?

- আপুনি যদি যৌন অপৰাধৰ বলি হৈছে, তেতিয়া আপুনি বা আপোনাৰ হৈ আন কোনোবাই, অপৰাধ সংঘটিত হোৱাৰ পিছত যিমান সোনকালে সম্ভৱ হয় স্থানীয় আৰক্ষী থানাৰ কাষ চাপক আৰু যিমানসম্ভৱ স্পষ্টকৈ অপৰাধ সংঘটিত হোৱাৰ বিৱৰণ দিয়ক।
- আৰক্ষীয়ে ততালিকে এজাহাৰ পঞ্জীয়ন কৰিব লাগিব।
- যদিহে দায়িত্বত থকা আৰক্ষী বিষয়া গৰাকীয়ে এজাহাৰ পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ কৰে, যৌন অপৰাধৰ ক্ষেত্ৰত তেওঁৰ শাস্তি ৬ মাহৰ পৰা ২ বছৰ পৰ্যন্ত সশ্ৰম কাৰাদণ্ড হ'ব পাৰে।
- যিমানদূৰ সম্ভৱ অপৰাধত বলি হোৱা গৰাকীয়ে এজাহাৰ পঞ্জীয়ন কৰিব লাগে।
- আইন অনুসৰি, এগৰাকী মহিলা আৰক্ষী বিষয়াই বা যদি আৰক্ষী মহিলা বিষয়া নাই তেন্তে যিকোনো মহিলা চৰকাৰী বিষয়াই আপোনাৰ মন্তব্য গ্ৰহণ কৰিব পাৰে আৰু ইয়াৰ ভিডিঅ' কৰি ৰাখিব লাগে। যিমান সোনকাল সম্ভৱ আৰক্ষীয়ে আপোনাৰ মন্তব্য এগৰাকী ন্যায়িক দণ্ডাধীশৰ দ্বাৰা গ্ৰহণ কৰোৱাব লাগে।
- যদি ভুক্তভোগী মহিলাগৰাকী মানসিক বা শাৰীৰিক ভাৱে অক্ষম (যদিও সাময়িকভাৱে) হয় এজাহাৰ তাইৰ বাসস্থানত বা তাইৰ পছন্দ ঠাইত ব্যাখ্যাকাৰক বা বিশেষজ্ঞৰ উপস্থিতিত ল'ব লাগে।

অভিযোগ দাখিল কৰোতে বা এজাহাৰ ৰুজু কৰোতে যদি পলম হয় তেন্তে ভুক্তভোগীৰ বাবে গোচৰটো প্ৰমাণ কৰোতে জটিল হ'ব পাৰে। মুখ্য সাক্ষ্যপ্ৰমাণ হেৰাই যাব পাৰে বা অভিযুক্তই ধ্বংস কৰিব পাৰে। তেন্তে আদালতত অভিযোগসমূহ প্ৰমাণ কৰোতে যথেষ্ট কঠিন হ'ব। এজাহাৰ দাখিল কৰাত পলম হোৱাৰ কাৰণেই আৰক্ষীয়ে পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ কৰিব নোৱাৰে আৰু অভিযোগকাৰী বা ভুক্তভোগীক একে কাৰণত সন্দেহ কৰিব নোৱাৰে।

## এজাহাৰ গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া কেনেধৰণৰ ?

আপুনি যেতিয়া এক অপৰাধৰ বিষয় আৰক্ষী থানাত জনাব তেতিয়া, এজন আৰক্ষী বিষয়াই,

- ➔ যদি মৌখিকভাৱে জনাইছে তেন্তে তেওঁ চমুকৈ তথ্যখিনি লিপিবদ্ধ কৰিব।
- ➔ লিপিবদ্ধ কৰা তথ্য আপোনাক এবাৰ পঢ়ি শুনাব লাগিব।
- ➔ এজাহাৰখনত আপোনাৰ চহী ল'ব লাগিব।
- ➔ বিনামূলীয়াকৈ এজাহাৰৰ এটা কপি আপোনাক দিব লাগিব।

[ফৌজদাৰী কাৰ্যপ্ৰণালী বিধি, ধাৰা ১৫৪]

## যদি আপোনাৰ এজাহাৰ পঞ্জীয়ন নকৰে তেন্তে কি কৰিব ?

যদিহে এজন আৰক্ষী বিষয়াই আপোনাৰ এজাহাৰ পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ কৰে তেন্তে আপুনি ওচৰত নিম্নলিখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰিব পাৰে ঃ —

- সংশ্লিষ্ট আৰক্ষী বিষয়াৰ বিষয়ে এজাহাৰ দাখিল কৰক।
- আৰক্ষী অধীক্ষক বা অন্য উচ্চ পদস্থ বিষয়া যেনে উপঃ আৰক্ষী সঞ্চালক প্ৰধান বা আৰক্ষী মহা পৰিদৰ্শকক লগ ধৰক আৰু আপোনাৰ অভিযোগৰ বিষয়ে তেওঁলোকক জনাওক। যদি আৰক্ষী বিষয়াজনে যৌন অপৰাধৰ ক্ষেত্ৰত দিয়া এজাহাৰ ৰুজু কৰিবলৈ অস্বীকাৰ কৰে তেন্তে তেওঁৰ শাস্তি ছমাহৰ পৰা ২ বছৰ পৰ্যন্ত সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত হ'ব পাৰে।
- আপোনাৰ লিখিত অভিযোগ ডাকযোগে আৰক্ষী অধীক্ষকলৈ প্ৰেৰণ কৰক।
- এক্তিয়াৰ বা অধিকাৰক্ষেত্ৰ (Jurisdiction) থকা আদালতত নিজাকৈ অভিযোগ দাখিল কৰক।
- যদি আৰক্ষীয়ে আইন প্ৰয়োগত একো ব্যৱস্থা লোৱা নাই বা ব্যৱস্থা লওঁতে পক্ষপাতিত্বমূলক বা ভ্ৰষ্টাচাৰী আচৰণ কৰিছে তেন্তে ৰাজ্যিক বা ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগত অভিযোগ দাখিল কৰক
- ৰাজ্যিক আৰক্ষী দায়ৱদ্ধতা আয়োগত (State Police Accountability Commission) অভিযোগ দাখিল কৰক।
- সংবিধানৰ অনুচ্ছেদ ২২৬ ৰ অনুসৰি উচ্চন্যায়ালয়ৰ কাষ চাপক আৰু পৰমাদেশ লেখ (Writ of Mandamus) জাৰি কৰিবলৈ আবেদন জনাওক। পৰমাদেশ যোগেদি ন্যায়ালয়ে সংশ্লিষ্ট আৰক্ষী বিষয়াজনক এজাহাৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিব।

অসম আৰক্ষী আইন ২০০৭ ৰ অধীনত এজাহাৰ পঞ্জীয়ন নকৰাক এক গুৰুতৰ দুৰ্ব্যৱহাৰ বুলি সংজ্ঞা দিছে। ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগে দুৰ্ব্যৱহাৰৰ গুৰুতৰ অভিযোগসমূহৰ তদন্ত কৰিব পাৰে আৰু আৰক্ষী সঞ্চালক প্ৰধানক এজাহাৰ পঞ্জীয়ন কৰিবলৈ বা / আৰু সংশ্লিষ্ট আৰক্ষীবিষয়াৰ বিৰুদ্ধে বিভাগীয় তদন্ত আৰম্ভ কৰিবলৈ নিৰ্দেশ দিব পাৰে।

### আপুনি মনত ৰাখিবলগীয়া কথাঃ

- যেতিয়া আপুনি আৰক্ষী থানালৈ সোধপোচৰ বাবে যাব তেতিয়া আপোনাৰ লগত এজন বন্ধু বা সম্বন্ধীয় ব্যক্তিক লৈ যাব।
- আৰক্ষীয়ে সোধা প্ৰশ্নৰ উত্তৰ শান্তভাৱে আৰু সুসংগঠিতভাৱে দিব।
- ঘটনা যেনেকৈ ঘটিছিল তাৰ সঁচা বিৱৰণ দিব।
- ঘটনাৱলীৰ ওপৰত ৰহন নলগাব বা ৰঞ্জিত নকৰিব।
- কেতিয়াও অস্পষ্ট মন্তব্য নিদিব।
- কেতিয়াও ভুৱা অভিযোগ দাখিল নকৰিব। ভুল তথ্য দিয়া বাবে বা আৰক্ষীক বিপথে পৰিচালিত কৰাৰ বাবে আপোনাক আইনৰ অধীনত দোষী কৰিব পাৰে।

## আইনী সেৱাৰ অধিকাৰ ঃ

যদি আপুনি এজন অধিবক্তা ল'ব নোৱাৰে তেন্তে মৌলিক অধিকাৰ হিচাপে আপুনি বিনামূলীয়াকৈ আইনী সাহাৰ্য্য লাভ কৰিব। জিলা বা ৰাজ্যিক আইন সেৱা প্ৰাধীকাৰীক সহায়ৰ বাবে যোগাযোগ কৰক।

Friedrich Naumann STIFTUNG FÜR DIE FREIHEIT
Commonwealth Human Rights Initiative
Delegation of the European Union to India
NEN NORTH EAST NETWORK

এই জাননী EU আৰু FNFৰ বিত্তীয় সহযোগত উলিওৱা হৈছে। জাননীৰ অন্তৰ্ভুক্ত লিখনি সমূহৰ বাবে একমাত্ৰ NEN আৰু CHRI দায়ী আৰু কোনো অৱস্থাতে এই সন্দৰ্ভত EU আৰু FNFৰ স্থিতি প্ৰতিফলিত নহয়।

অধিক তথ্যৰ বাবে যোগাযোগ কৰক ০৯৪৩৫০১৭৮২৪, assamnen@yahoo.co.uk, www.northeastnetwork.org